অসম চৰকাৰ

গোৱালপাৰা জিলা পৰিষদৰ কাৰ্যালয় :::: গোৱালপাৰা

নং. জি.জেদ.পি. জি-৯৯১/হাট-বজাৰ/ফিচাৰি ইত্যাদি/২০২৬-২৭/১৫৮ তাৰিখ : ২৪/০৮/২০২৬

## নিবিদা জাননী
## বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তিৰ নিবিদা

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা যায় যে গোৱালপাৰা জিলা পৰিষদৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/হাট বোৰ অসম পঞ্চায়ত আইন, ১৯৯৪ আৰু অসম পঞ্চায়ত (সংশোধনী) আইন, ২০২৫ ৰ মতে ২০২৬-২৭ বৰ্ষৰ বাবে ইং ০১-১০-২০২৬ তাৰিখৰ পৰা ৩০-০৬-২০২৭ তাৰিখলৈ ৯ মাহৰ বাবে নিবিদাযোগে বন্দোৱস্তি দিয়া হ'ব। বজাৰ/হাটৰ বন্দোৱস্তি পাবলৈ ইচ্ছুক যোগ্য প্ৰাৰ্থীসকলৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) মূল্যৰ ন্যায়ালয়ৰ শুল্কযুক্ত আবেদন অনলাইন নিবিদা পৰ্টেল ৰ জৰিয়তে আহ্বান কৰা হ'ল।

নিবিদাসমূহ অহা ইং ১৯-০৯-২০২৬ তাৰিখে দিনৰ ২ বজালৈকে অনলাইন নিবিদা পৰ্টেল https://cprd.assam.gov.in ৰ জৰিয়তে গ্ৰহণ কৰা হ'ব আৰু সেইদিনাই অৰ্থাৎ ইং ১৯-০৯-২০২৬ তাৰিখে নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত দিনৰ ৩ বজাত খোলা হ'ব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰমিক নং | বজাৰ/হাট/ নাম | চৰকাৰী নিৰিখ (টকা) (১২ মাহৰ বাবে) | আমানতৰ ধন (টকা) |
|---|---|---|---|
| ১ | কৃষ্ণাই সাপ্তাহিক পশু হাট | ১৬,১৩,৯০০.০০ | ১৬,১৩,৯০.০০ |
| ২ | কৃষ্ণাই দৈনিক তামোল পান আৰু শুকান সুপাৰি বজাৰ | ১১,২২,৪০০.০০ | ১১,২২,৪০.০০ |
| ৩ | কৃষ্ণাই সাপ্তাহিক হাট | ১৪,৯০,৯০০.০০ | ১৪,৯০,৯০.০০ |
| ৪ | কৃষ্ণাই দৈনিক বজাৰ | ১৫,০৫,৯০০.০০ | ১৫,০৫,৯০.০০ |
| ৫ | সুতাৰপাৰা পশুহাট | ৩৩,৪৫,৯০০.০০ | ৩৩,৪৫,৯০.০০ |
| ৬ | আমবাৰী পশু হাট | ৩০,০০,০০০.০০ | ৩০,০০,০০.০০ |
| ৭ | ডাকাইদাল পশু হাট | ২৪,৬৪,৭০০.০০ | ২৪,৬৪,৭০.০০ |
| ৮ | বুদুচৰ দৈনিক হাট | ২৫,৩১,৩০০.০০ | ২৫,৩১,৩০.০০ |

**নিবিদাকাৰীয়ে নিবিদা মূল্য ১২ (বাৰ) মাহৰ বাবে উল্লেখ কৰিব লাগিব আৰু আমানতৰ ধন ১২ (বাৰ) মাহৰ চৰকাৰী নিৰিখৰ ১০ শতাংশ হাৰত জমা দিব লাগিব, কিন্তু বন্দোবস্তি লাভ কৰা নিবিদাকাৰীয়ে ৯ মাহৰ বাবে ১২ (বাৰ) মাহৰ সমানুপাতিক হিচাপত (Pro rata basis) বন্দোবস্তি মূল্য জমা দিব লাগিব।**

বজাৰ/হাট/ আদিৰ নিবিদাৰ চৰ্তাৱলী:-

### প্ৰথম খণ্ড

১) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ/ঘাট/মীনমহল/পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২) যদি এইটো দৃষ্টিগোচৰ হয় যে কোনো নিবিদাকাৰীয়ে ৰাজ্য চৰকাৰৰ যিকোনো পৰ্য্যায়ত যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ বাকী আছে অথবা যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ ব্যৰ্থ হৈছে, তেন্তে তেনে নিবিদ্যকাৰীক যিকোনো পঞ্চায়তত সকলো ধৰণৰ নিবিদা পক্ৰিয়াত অংশগ্ৰহণ কৰিব দিয়া নহব।

৩) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সন্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব। অন্যথা এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হ'ব।

৪) অনলাইন নিবিদা পৰ্টেলত ৩০০.০০/- (তিনি শ) টকা জমা দি নিবিদা প্ৰ-পত্ৰ পূৰণ কৰাৰ লগতে প্ৰয়োজনীয় আনুসংগিক নথি-পত্ৰ আপলোড কৰি আৰু আমানতৰ ধন (EMD) জমা দি নিবিদা দাখিল কৰিব লাগিব।

৫) প্ৰতি বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৬) হাট, ঘাট, মীনমহল, পাউণ্ডৰ বন্দোৱস্তি সম্পৰ্কীয় নিবিদা অনলাইন আবেদন জমা দিয়াৰ পিছত দুতৰপীয়া প্ৰক্ৰিয়া গ্ৰহণ কৰা হ'ব য'ত নিৰ্ধাৰিত দিনত নিবিদাকাৰীসকলৰ উপস্থিতিত প্ৰথম পৰ্য্যায়ত Technical Bid আৰু দ্বিতীয় পৰ্য্যায়ত Financial Bid ৰ পৰীক্ষণ কৰা হ'ব। অকল প্ৰথম পৰ্যায়ত গ্ৰহণযোগ্য বিবেচিত হোৱা নিবিদাকাৰীসকলৰহে দ্বিতীয় পৰ্যায়ত মুকলি কৰি পৰীক্ষণ কৰা হ'ব।

৭) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ প্ৰক্ৰিয়াত নিজৰ সম্পূৰ্ণ নাম, ঠিকনা আৰু আৰক্ষী থানা উল্লেখ কৰিব লাগিব। জিলা পৰিষদৰ অধীনস্থ হাট, ঘাট, মীনমহল, পাউণ্ড আদিৰ ক্ষেত্ৰত নিবিদাকাৰী সংশ্লিষ্ট জিলাৰ বাসিন্দা হব লাগিব। আনহাতে আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত নিবিদাকাৰী সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ বাসিন্দা হ'ব লাগিব আৰু গাঁও পঞ্চায়তৰ ক্ষেত্ৰত সংশ্লিষ্ট গাঁও পঞ্চায়তৰ বাসিন্দা হ'ব লাগিব।

৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোৰ্ট ফি আৰু আমানতৰ ধন জমা দিয়াটো বাধ্যতামূলক। নিবিদা দাখিল কৰাৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠাই ল'ব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোৱস্তিপ্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোৱস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।

৯) নিবিদা দাখিলৰ আৰু খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰৱৰ্তী কাৰ্য্যালয় খোলাৰ দিনা নিবিদা গ্ৰহণ কৰা হ'ব।

১০) কোনো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচিত নহ'লে পুনৰ নিবিদা আহ্বান কৰা হ'ব।

১১) সকলো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত বিগত তিনিটা বছৰৰ বন্দোৱস্তিৰ গড় মূল্য চলিত বৰ্ষৰ চৰকাৰী নিৰিখ হিচাপে গণ্য কৰা হ'ব।

১২) সকলো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত বিগত তিনিটা বছৰৰ বন্দোৱস্তিৰ গড় মূল্য সহিতে গড় মূল্যৰ ১০ শতাংশ হাৰৰ ভিতৰত দাখিল কৰা সৰ্বোচ্চ নিবিদাহে বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

১৩) নতুনকৈ স্থাপিত যিকোনো বজাৰ/ঘাট/মীনমহল/ পাউণ্ডৰ ক্ষেত্ৰত চৰকাৰী নিৰিখ সংশ্লিষ্ট পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (PRI)-ৰ দ্বাৰা গঠিত সমিতিৰ জৰিয়তে নিৰ্ধাৰণ কৰা হব। অৰ্থাৎ, উক্ত বজাৰ/ঘাট/মীনমহল/ পাউণ্ড যি পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ অধীনত থাকিব, সেই অনুসৰি সংশ্লিষ্ট জিলা পৰিষদ (ZP), আঞ্চলিক পঞ্চায়ত (AP) অথবা গাঁও পঞ্চায়ত (GP)-ৰ স্তৰত গঠিত সমিতিয়ে উক্ত সম্পত্তিৰ চৰকাৰী নিৰিখ নিৰ্ধাৰণ কৰিব। স্তৰ অনুযায়ী সমিতি তলত দিয়া ধৰণে গঠন কৰিব লাগিব-

ক. জিলা পৰিষদ (ZP) স্তৰৰ সমিতি

১. সভাপতি, জিলা পৰিষদ
২. মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ
৩. কাৰ্যবাহী অভিযন্তা, জিলা পৰিষদ

খ. আঞ্চলিক পঞ্চায়ত (AP) স্তৰৰ সমিতি

১. সভাপতি, আঞ্চলিক পঞ্চায়ত
২. খণ্ড উন্নয়ন বিষয়া (BDO)
৩. সহকাৰী অভিযন্তা/ সহকাৰী কাৰ্যবাহী অভিযন্তা

গ. গাঁও পঞ্চায়ত (GP) স্তৰৰ সমিতি

১. সভাপতি, গাঁও পঞ্চায়ত
২. সচিব, গাঁও পঞ্চায়ত
৩. কনিষ্ঠ অভিযন্তা (Junior Engineer)

১৪) বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত যদি পূৰ্বৱৰ্তী তিনিটা বছৰৰ যিকোনো এটা বছৰত বন্দোৱস্তি নোহোৱা থাকে, তেন্তে সেই বজাৰ/ঘাট/মীনমহল/পাউণ্ড আদি ওপৰত উল্লেখিত (ক্ৰমিক দফা নং-১৩) ৰ অনুসৰি সংশ্লিষ্ট সমিতিয়ে উক্ত সম্পত্তিৰ চৰকাৰী নিৰিখ নিৰ্ধাৰণ কৰিব।

১৫) বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ নিবিদাৰ ক্ষেত্ৰত যদি কেৱল এখনহে বৈধ নিবিদাপত্ৰ লাভ কৰা হয়, তেন্তে সংশ্লিষ্ট উচ্চতৰ কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে সেই একমাত্ৰ নিবিদাকাৰীক যোগ্য বিবেচনা কৰা হ'ব।

১৬) ক) যদিহে কোনো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বাবে এগৰাকীতকৈ অধিক স্থানীয় নিবিদাকাৰীয়ে একে নিবিদা মূল্য দাখিল কৰে আৰু যদিহে নিবিদা জাননীৰ অন্যান্য সকলো চৰ্তাৱলী সাপেক্ষে তেওঁলোকৰ গ্ৰহণযোগ্যতা থাকে, তেনেহলে সেই বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোৱস্তি নিৰ্ধাৰণ কৰাৰ বাবে স্থানীয় নিবিদাকাৰীসকলৰ মাজৰ পৰা অনলাইন লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰা হ'ব।

খ) একাধিক নিবিদাকাৰীৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে জিলা পৰিষদৰ স্থায়ী সমিতি বা বজাৰ/ঘাট আদিৰ বাবে বিশেষভাৱে গঠন কৰা বন্দোৱস্তি সমিতিয়ে সকলো নিবিদাকাৰী, জিলা পৰিষদৰ বিষয়ববীয়া তথা সাধাৰণ নাগৰিকৰ উপস্থিতিত অনলাইন পৰ্টেলযোগে লটাৰী সম্পন্ন কৰিব লাগিব। এনে লটাৰীৰ বাবে কৰ্তৃপক্ষই সংশ্লিষ্ট সকলো স্থানীয় নিবিদাকাৰীকে আগতীয়াকৈ জনাব লাগিব আৰু সমগ্ৰ লটাৰী প্ৰক্ৰিয়াৰ কাৰ্যবিৱৰণী প্ৰস্তুত কৰি বিধিগতভাৱে সংশ্লিষ্ট বিষয়ববীয়া আৰু নিবিদ্যকাৰীৰ স্বাক্ষৰ গ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে একে নিবিদামূল্য দাখিল কৰা প্ৰতিগৰাকী নিবিদাকাৰীৰ সম্মতিসূচক স্বাক্ষৰ থকা কাৰ্যবিৱৰণীহে গ্ৰহণযোগ্য হ'ব।

গ) লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে জিলা পৰিষদৰ স্থায়ী সমিতি বা বজাৰ/ঘাট আদিৰ বাবে বিশেষভাৱে গঠন কৰা বন্দোৱস্তি সমিতিয়ে সমগ্ৰ লটাৰী প্ৰক্ৰিয়াটোৰ ভিডিঅ'গ্ৰাফী কৰাটো বাধ্যতামূলক। এই ভিডিঅগ্ৰাফী কোনো চি. ডি. (compact disc) বা পেনড্ৰাইভত (pendrive) সুৰক্ষিত কৰি অতি কমেও পাঁচ বছৰৰ বাবে সংৰক্ষিত কৰি ৰাখিব লাগিব যাতে বন্দোৱস্তি সম্পৰ্কীয় যিকোনো ওজৰ-আপত্তি/ গোচৰ মোকৰ্দমা আদিৰ সময়ত সেয়া দাখিল কৰিব পৰা যায়। তদুপৰি প্ৰয়োজন সাপেক্ষে উৰ্ধতম মহলে বিচাৰিলে এই ভিডিঅ ৰেকৰ্ডিং জমা দিব লাগিব।

## <u>দ্বিতীয় খণ্ড</u>

১৭) বজাৰ/ঘাট/মীনমহল/পাউণ্ড আদিৰ বন্দোৱস্তি সম্পৰ্কীয় নিবিদাৰ ক্ষেত্ৰত **Assam Public Procurement Rule Framework** ত সন্নিবিষ্ট নিয়ম মানি চলাটো বাধ্যতামূলক।

১৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত নিৰ্দিষ্ট বজাৰ/ঘাট/মীনমহল/পাউণ্ড খনৰ চৰকাৰী নিৰিখৰ ১০% (দহ শতাংশ) আমানতৰ ধন হিচাপে সংশ্লিষ্ট পঞ্চায়তৰ Bank Account ত অনলাইনযোগে জমা দিব লাগিব। অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি অনলাইনত আপলোড কৰি দাখিল কৰিব লাগিব।

১৯) নিবিদাকাৰীয়ে নিবিদাৰ লগত পাচপৰ্ট আকাৰৰ ফটো অনলাইন পৰ্টেলত আপলোড কৰিব লাগিব।

২০) নিবিদাকাৰী আৰু জামিনদাৰে গোৱালপাৰা জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ পৰা কৰমুক্ত/ পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণপত্ৰ অনলাইন পৰ্টেলত আপলোড কৰিব লাগিব।

২১। প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদা দাখিলৰ সময়ত স্থানীয় আৰক্ষী থানাৰ পৰা তেখেতৰ পূৰ্ব পটভূমি (antecedent) জমা দিয়াটো বাধ্যতামূলক।

২২) যিকোনো ধৰণৰ হিংসাত্মক কাৰ্য্যকলাপ, অত্যাচাৰ, শোষণ, নিপীড়ন আদিত জড়িত থকা নিবিদাকাৰীক হাট, আদিৰ বন্দোৱস্তি দিয়া নহ'ব।

২৩) নিবিদাকাৰী আৰু জামিনদাৰে নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি স্বয়ং প্ৰত্যায়িত কৰিব লাগিব।

## তৃতীয় খণ্ড

২৪) অসম পঞ্চায়ত (বিত্তীয়) (সংশোধনী) নিয়মাৱলী, ২০২৫ৰ ৪৭ নং বিধিমতে নিবিদাকাৰীয়ে বজাৰ-হাটৰ বন্দোৱস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত উপ-পঞ্জীয়কৰ কাৰ্য্যালয়ত পঞ্জীয়নভুক্ত চুক্তিপত্ৰ নিৰ্দ্ধাৰিত দলিল (Stamp Paper) ত দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

২৫) বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে বন্দোৱস্তি জাননী প্ৰেৰণৰ এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোবস্তি মূল্য জিলা পৰিষদৰ কাৰ্য্যালয়ত জমা দিব লাগিব।

২৬) যদিহে বন্দোবস্তি পোৱা নিবিদাকাৰী গৰাকীয়ে নিৰ্দ্ধাৰিত এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোবস্তি মূল্য জমা দিয়াত ব্যৰ্থ হয়, তেনেহলে জিলা পৰিষদে পিছৰগৰাকী সৰ্বোচ্চ নিবিদাকাৰীক বন্দোবস্তি প্ৰদান কৰিব। এই বন্দোবস্তিৰ ক্ষেত্ৰতো দফা নং ১২ আৰু ১৬ ত উল্লেখিত নিয়মাৱলী প্ৰযোজ্য হ'ব। এই প্ৰক্ৰিয়া বন্দোবস্তি জাননী প্ৰেৰণৰ নিৰ্দ্ধাৰিত সপ্তাহৰ পিছৰ সপ্তাহত সম্পন্ন কৰিব লাগিব।

২৭) বজাৰ/হাট আদিৰ বন্দোবস্তি পোৱা নিবিদাকাৰীয়ে বজাৰলৈ ঘৰুৱাভাৱে উৎপাদিত শাক-পাচলি, তামোল-পান, দুগ্ধজাত সামগ্ৰী আদি বিক্ৰী কৰিবলৈ অহা স্থানীয় লোকৰপৰা বা ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা কোনোধৰণৰ মাচুল সংগ্ৰহ কৰিব নোৱাৰিব। এনে অভিযোগ লাভ কৰা নিবিদাকাৰীৰ বিৰুদ্ধে জিলা পৰিষদে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

২৮) বজাৰ/হাট আদিৰ বন্দোবস্তি পোৱা নিবিদাকাৰীয়ে পৰাপক্ষত নিয়মীয়া বিক্ৰেতা, ব্যৱসায়ী আদিৰ পৰাহে ছমাহ বা বছৰৰ মূৰত এবাৰকৈ জিলা পৰিষদৰ দ্বাৰা অনুমোদিত মাচুল/ কৰ সংগ্ৰহ কৰিব পাৰিব।

২৯) ফেৰী/ঘাট বন্দোৱস্তিৰ ক্ষেত্ৰত আভ্যন্তৰীণ জল পৰিবহন বিভাগে আৰোপ কৰা নীতি-নিয়ম গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/ জিলা পৰিষদে বন্দোৱস্তি দিয়া ফেৰী/ঘাটৰ ক্ষেত্ৰতো বাহাল থাকিব। মীনমহল বন্দোৱস্তি পোৱা মহলদাৰে মীনমহল চলোৱাৰ ক্ষেত্ৰত প্ৰচলিত মীনবিভাগৰ নীতি মানি চলিব লাগিব।

৩০) বৈধ পঞ্জীয়ন থকা আৰু নাওঁ/ফেৰীৰ চলাচলৰ ক্ষেত্ৰত বাধ্যতামূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা নিবিদাকাৰী সকলেহে ফেৰী/ ঘাটৰ নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰিব। নিবিদাকাৰীয়ে নিবিদা আবেদন কৰোতে সংশ্লিষ্ট নাওঁ/ ফেৰীৰ শেহতীয়া Fitness Certificate জমা দিয়াটো বাধ্যতামূলক। উক্ত Fitness Certificate আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ কৰ্তৃপক্ষই প্ৰদান কৰা হ'ব লাগিব।

৩১) ফেৰীৰ জৰিয়তে যাতায়াত কৰা যাত্ৰীৰ সুৰক্ষাৰ্থে ফেৰী/ঘাটৰ নিবিদাকাৰীয়ে নিম্ন লিখিত চৰ্ত সমূহ মানি চলিব লাগিব-

ক) নিবিদাকাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ লগতে এখন Undertaking অনলাইন আপলোড কৰি দাখিল কৰিব লাগিব, যত প্ৰতিকূল বতৰত ফেৰী ব্যৱস্থা বন্ধ থাকিব বুলি উল্লেখ থাকিব। অন্যথা তেওঁৰ নিবিদাৰ আবেদন নাকচ কৰা হ'ব। কোনো মহলদাৰে উক্ত Undertaking ৰ চৰ্ত উলংঘা কৰিলে তেওঁৰ বন্দোৱস্তি নাকচ কৰা হ'ব।

খ) যিকোনো বিপদকালীন পৰিস্থিতিৰ বাবে মহলদাৰে ব্যৱহৃত নাওঁ/ফেৰীখনত প্ৰতিজন যাত্ৰীৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণৰ Life Jacket / Life Raft ৰ ব্যৱস্থা থকাটো সুনিশ্চিত কৰিব লাগিব।

গ) মহলদাৰজনে নাওঁ/ ফেৰী খনৰ বহন ক্ষমতা সাপেক্ষে নাওঁ/ফেৰী খনত কঢ়িওৱা যাত্ৰীৰ সংখ্যাৰ হকে বীমাৰ সুবিধা প্ৰদান কৰাটো প্ৰয়োজনীয়।

ঘ) মহলদাৰজনে কোনো ক্ষেত্ৰতে নাওঁ/ফেৰী খনৰ বহন ক্ষমতাতকৈ অধিক যাত্ৰী বহন কৰিব নোৱাৰিব।

৩২) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠানলৈ বজাৰ /ঘাট/মীনমহল/পাউণ্ড হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

৩৩) যদি কোনো নিবিদাকাৰীয়ে নিবিদা দাখিল কৰি বন্দোবস্তিৰ পূৰ্বে নিবিদা উঠাই লয় তেনেহলে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন Forfeit হ'ব আৰু তেওঁ আগন্তুক পাঁচ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

৩৪) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি কোনো বিষয়াই হাট/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোবস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্যপাতি, কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

৩৫) প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব-

ক) হাটত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাৱৰ বা গেলা-পচা বস্তু নিজৰ খৰছত নিবিদাকাৰীয়ে হাটৰ সীমাৰ পৰা কমেও ৬০০ মিটাৰ জনবসতিৰ অতৰত পেলাব লাগিব, যাতে ওচৰৰ বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা পচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তেনে বিক্ৰী তৎক্ষণাত বন্ধ কৰিব আৰু তেনে বিক্ৰেতাৰ বিৰূদ্ধে ওচৰত থকা জনস্বাস্থ্য বিষয়াক অভিযোগ দিব লাগিব। লগতে বজাৰত গেলা পচা বস্তু/ৰাইজৰ স্বাস্থ্য হানি হোৱা বস্তু/সামাজিক পৰিবেশ ক্ষতি হোৱা বস্তু আদি বিক্ৰী কৰিব নোৱাৰিব।

ঘ) প্ৰত্যেক নিবিদাকাৰীয়ে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ অনুমোদিত খাজনা/মাচুল আদিৰ নিৰিখ বজাৰ /ঘাট/মীনমহল/ পাউণ্ড আদিৰ মুখ্য প্ৰৱেশদ্বাৰ তথা অন্যান্য মুখ্য এলেকাত জাননী ফলক(নোটিচ বৰ্ড) লগাই সহজে পঢ়িব পৰাকৈ স্থানীয় ভাষাত লিখি ৰাখিব লাগিব।

ঙ) চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হলে উক্ত বস্তুৰ ওপৰত কোনো খাজনা ল'ব নোৱাৰিব।

চ) হাট বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ কিনা-বেচা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৩৬) জিলা পৰিষদ আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ কোনো কৰ্তৃত্বশীল বিষয়াই হাট/ঘাট/ মীনমহল/পাউণ্ড আদি পৰিদৰ্শন কৰিব আৰু সেই সময়ত মহলদাৰে নিজে নাইবা তেওঁৰ উপযুক্ত প্ৰতিনিধি উক্ত বিষয়াৰ লগত থাকিব লাগিব।

৩৭) সাপ্তাহিক/অৰ্ধসাপ্তাহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক/ অৰ্দ্ধ সাপ্তাহিক হাট বজাৰৰ খাজনা আদায় কৰিব নোৱাৰিব।

৩৮) সাপ্তাহিক/অৰ্ধসাপ্তাহিক/দৈনিক বজাৰৰ মহলদাৰে বজাৰৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰতহে খাজনা আদায় কৰিব পাৰিব।

৩৯) সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়ত সমূহে হাট, ঘাট, মীনমহল, পাউণ্ড আদিৰ পৰা সংগৃহীত ৰাজহৰ হিচাপ ৰখাটো বাধ্যতামূলক।

৪০) National Green Tribunal ৰ ১২/১২/২০১৮ ইং তাৰিখৰ 0.A. No. 606 /2018 ৰ নিৰ্দেশ মৰ্মে পালন কৰিবলগীয়া Solid Waste Management Rules 2016 আৰু Plastic Waste Management Rules 2016 ত অন্তৰ্ভুক্ত কৰা চৰ্ত সমূহ মহলদাৰজনে বজাৰ ভিত্তিক গোটা জাৱৰ আৰু প্লাষ্টিক জাৱৰ ব্যৱস্থাপনা কমিটি (Market wise Solid Waste and Plastic Waste Management Committee) ৰ সহযোগত পালন কৰিব লাগিব।

৪১) বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীক গোৱালপাৰা জিলা পৰিষদৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হ'ব।

৪২) সকলো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত অনলাইন নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে বন্দোবস্তি দিয়াটো বাধ্যতামূলক।

সভাপতি
গোৱালপাৰা জিলা পৰিষদ

মুখ্য কাৰ্যবাহী বিষয়া
গোৱালপাৰা জিলা পৰিষদ

মেমো নং. জি.জেদ.পি. জি-৯৯১/হাট-বজাৰ/ফিচাৰি ইত্যাদি/২০২৬-২৭/১৫৮ তাৰিখ: ২৪/০৮/২০২৬

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহীত ব্যৱস্থাৰ্থে -

১) সচিব, অসম চৰকাৰৰ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিছপুৰ, গুৱাহাটী-০৬।
২) আয়ুক্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম, পাঞ্জাবাৰী, গুৱাহাটী-৩৭।
৩) সভাপতি, গোৱালপাৰা জিলা পৰিষদ।
৪) জিলা আয়ুক্ত, গোৱালপাৰা।
৫) জ্যেষ্ঠ আৰক্ষী অধীক্ষক, গোৱালপাৰা।
৬) চক্ৰ বিষয়া (সকলো)।
৭) খণ্ড উন্নয়ন বিষয়া (সকলো)।
৮) ব্যক্তিগত সচিব, মাননীয় মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি, অসম, দিশপুৰ, গুৱাহাটী-৬ মাননীয় মন্ত্ৰী মহোদয়ক জনোৱাৰ হেতু।
৯) ব্যক্তিগত সচিব, মাননীয় অভিভাৱক মন্ত্ৰী গোৱালপাৰা জিলা।
১০) ব্যক্তিগত সচিব, অতিৰিক্ত মুখ্য সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিশপুৰ, গুৱাহাটী-৬. অতিৰিক্ত মুখ্য সচিবক জনোৱাৰ হেতু।
১১) জিলা তথ্য বিষয়া, NIC গোৱালপাৰা, জিলা প্ৰশাসনৰ ৱেবচাইটত প্ৰকাশৰ বাবে অনুৰোধ জনোৱা হল।
১২) জিলা তথ্য আৰু জনসংযোগ বিষয়া, গোৱালপাৰা।
১৩) গাওঁ পঞ্চায়ত সচিব (সকলো)।
১৪) কাৰ্য্যলয় জাননী ফলক।

মুখ্য কাৰ্যবাহী বিষয়া
গোৱালপাৰা জিলা পৰিষদ